# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-11-2025
**Time :** 1340 hrs

## *Assamese Midday Bulletin*
## HEADLINES

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই ৰপ্তানিকাৰীসকলৰ বাবে অনুমোদন জনোৱা ঋণ নিশ্চিতকৰণ আঁচনিয়ে ভাৰতবৰ্ষক এখন আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰ ৰূপে গঢ়ি তোলাত সহায় কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। বোট্‌ছোৱানাই আজি চিতা প্ৰকল্পৰ অধীনত ভাৰতলৈ চিতা বাঘৰ প্ৰতীকাত্মক হস্তান্তৰ কৰিব।

৩। বিহাৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা কাইলৈ অনুষ্ঠিত হ'ব।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইতিহাসৰ সবাতোকৈ দীৰ্ঘতম শ্বাট-ডাউনৰ অৱসান ঘটিছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত হ'ব।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি ৰপ্তানিকাৰীসকলৰ বাবে অনুমোদন জনোৱা ঋণ নিশ্চিতকৰণ আঁচনিয়ে গোলকীয় প্ৰতিযোগিতা বৃদ্ধি কৰিব, ব্যৱসায় পৰিচালন সুগম কৰি তুলিব আৰু ভাৰতবৰ্ষক এখন আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰ ৰূপে গঢ়ি তোলাত সহায় কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সিদ্ধান্তসমূহৰ প্ৰশংসা কৰি শ্ৰীমোদীয়ে কয় যে ৰপ্তানি সম্বৰ্ধন মিছনে ৰপ্তানি বিষয়ক প্ৰতিযোগিতা উন্নত কৰিব আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ জগতক সহায় কৰিব। আঁচনিখনে প্ৰথম বাৰৰ বাবে ৰপ্তানি কৰা আৰু শ্ৰমভিত্তিক ক্ষেত্ৰসমূহকো সহায় কৰিব বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে আঁচনিখনে সংশ্লিষ্ট ঘাই ঘাই পক্ষসমূহক একেখন মঞ্চলৈ আনি ফলাফল আধাৰিত আৰু ফলপ্ৰসূ ব্যৱস্থা গঢ়ি তোলাত সহায় কৰিব। তেওঁ কয় যে গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থৰ বাবে ৰয়েলটিৰ হাৰ যুক্তিসংগত কৰাৰ বাবে মন্ত্ৰীসভাই লোৱা সিদ্ধান্তই বহনক্ষমতা আৰু আত্মনিৰ্ভৰশীলতা প্ৰচেষ্টা সুদৃঢ় কৰি তুলিব। এই সিদ্ধান্তই যোগান শৃংখলা শক্তিশালী কৰিব আৰু কৰ্মসংস্থাপনৰ ন-ন সুযোগ সৃষ্টি কৰিব বুলি শ্ৰীমোদীয়ে আশা প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৯ নৱেম্বৰত তামিলনাডুৰ কইম্বাতুৰলৈ যাব। এই ভ্ৰমণ কালত শ্ৰীমোদীয়ে তামিলনাডুৰ কৃষক সংস্থাসমূহে আয়োজন কৰা দক্ষিণ ভাৰত প্ৰাকৃতিক শীৰ্ষ সন্মিলনত ভাষণ দিব। প্ৰধানমন্ত্ৰীয়ে লগতে জৈৱিক কৃষিত বিশেষ দক্ষতা থকা দাক্ষিণাত্যত বিভিন্ন ৰাজ্যৰ ৫০গৰাকী বিজ্ঞানীৰ সৈতে মত বিনিময় কৰিব। শীৰ্ষ সন্মিলনত প্ৰাকৃতিক খেতি প্ৰসাৰৰ বাবে নীতি-নিয়ম প্ৰস্তুত কৰা হ'ব। শীৰ্ষ সন্মিলনত আয়োজক সমিতিৰ সমন্বয়ক পি আৰ পাণ্ডিয়নে কয় যে ইয়াৰ জৰিয়তে সজাগতা বৃদ্ধি পাব আৰু প্ৰাকৃতিক তথা পুনৰুজ্জীৱিকৰণ  কৃষি পদ্ধতি আঁকোৱালি লবলৈ উৎসাহিত কৰা হ'ব। তেওঁ কয় যে আৰ্থিক দিশৰ পৰা বিকাশক্ষম আৰু সামাজিক দিশৰ পৰা সৰ্বাত্মক কৃষিব্যৱস্থাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে জনসাধাৰণৰ দ্বাৰা পৰিচালিত বিপ্লৱৰ সূচনা কৰাই এই শীৰ্ষ সন্মিলনৰ মূল উদ্দেশ্য। সন্মিলনৰ লগত সংগতি ৰাখি এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। এই প্ৰদৰ্শনীত প্ৰায় ৩০০খন বিপণী থাকিব আৰু

ইয়াৰ সৈতে সংগতি ৰাখি আগশাৰীৰ বিজ্ঞানী আৰু নীতি প্ৰণেতাৰ বিশেষ সত্ৰৰ আয়োজন কৰা হ'ব। এই সত্ৰসমূহত যুৱ প্ৰজন্ম আৰু মহিলাৰ অংশগ্ৰহণত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। ভাৰতীয় প্ৰাকৃতিক কৃষি ধান আৰু পৰম্পৰাগত কৃষি বিকাশ যোজনাৰ দৰে ৰাষ্ট্ৰীয় উদ্যমসমূহে এই অনুষ্ঠানৰ আঁত ধৰিছে।

০০০০০

বোট্‌ছোৱানাই আজি চিতা প্ৰকল্পৰ অধীনত ভাৰতলৈ চিতা বাঘৰ প্ৰতীকাত্মক হস্তান্তৰ কৰিব। বোট্‌ছোৱানাৰ ৰাষ্ট্ৰপতি ডুমা বকোৰ সৈতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ দ্বিপাক্ষিক আলোচনাৰ পাছত এটা যুটীয়া প্ৰেছ বিজ্ঞপ্তিত এই ঘোষণা কৰা হৈছিল। উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু সম্প্ৰতি কেইবাটাও কাৰ্যসূচীৰে ৰাষ্ট্ৰখনত আছে আৰু চিতা প্ৰকল্প তাৰে অন্যতম। চিতা প্ৰকল্প হৈছে বিলুপ্ত হোৱা কেইবা দশক পাছত ভাৰতলৈ পুনৰ চিতা বাঘ অনাৰ এটা অনন্য উদ্যম। ইয়াৰ অধীনত বোট্‌ছোৱানাই আঠটা চিতা বাঘ ভাৰতলৈ প্ৰেৰণ কৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ বোট্‌ছোৱানা ভ্ৰমণৰ সামৰণিৰ পূৰ্বে আজি দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ মত-বিনিময় কৰিব।

০০০০০

বিহাৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা কাইলৈ অনুষ্ঠিত হ'ব। ৰাজ্যখনৰ ৩৮ খন জিলাৰ ৪৬টা কেন্দ্ৰত কাইলৈ পুৱা ৮ বজাত ভোটগণনা আৰম্ভ হ'ব। ৰাজ্যখনৰ ২৪৩ টা বিধানসভা সমষ্টিৰ বাবে দুটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হৈছিল। যিকোনো এটা দলে নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা অৰ্জনৰ বাবে ১২২ খন আসন দখল কৰিব লাগিব। ইতিমধ্যে দুহেজাৰ ৬১৬গৰাকী প্ৰাৰ্থীৰ ভাগ্য বন্দী হৈ থকা ই ভি এমসমূহ ষ্ট্ৰং ৰূমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। বিহাৰৰ মুখ্য নিৰ্বাচনী বিষয়া বিনোদ সিং গুঞ্জিয়ালে আকাশবাণীৰ সংবাদদাতাক জনোৱা মতে ভোটগ্ৰহণত ব্যৱহাৰ কৰা ই ভি এম আৰু ভিভিপেটসমূহ ষ্ট্ৰং ৰূমত তিনি তৰপীয়া সুৰক্ষা ব্যৱস্থাৰ মাজত ৰখা হৈছে। ভোটগণনা কেন্দ্ৰসমূহত যাৱতীয় সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হৈছে আৰু সেই স্থানসমূহত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু আৰক্ষী বাহিনী নিয়োগ কৰা হৈছে বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে দিল্লী বোমা বিস্ফোৰণৰ পাছত সহমৰ্মিতা প্ৰকাশ কৰাৰ বাবে দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰী চো হ্যুন আৰু ছিংগাপুৰৰ বিদেশ মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণণৰ শলাগ লৈছে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে কয় যে ভাৰতে ছিংগাপুৰ আৰু দক্ষিণ কোৰিয়াৰ ভাৱনাৰ প্ৰতি সন্মান কৰে।

০০০০০

দিল্লী বোমা বিস্ফোৰণ সন্দৰ্ভত সামাজিক মাধ্যমত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে বৰ্তমানলৈকে ১৫জন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে যোৱা নিশা এই ঘটনা সংক্ৰান্তত ৯জন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ইয়াৰ পূৰ্বে আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত ছজন লোকক গ্ৰেপ্তাৰ কৰিছিল।

দিল্লীৰ বিস্ফোৰণৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ নিৰাপত্তা বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰ তৎপৰ হৈ উঠিছে। কেন্দ্ৰীয় চৰকাৰে অসমৰ ধুবুৰী জিলাৰ বামুণীত এটা নতুন সামৰিক ঘাটি স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। লাচিত বৰফুকনৰ নামেৰে নামকৰণ কৰিবলগীয়া সামৰিক ঘাটিটোৰ পৰা সীমান্তৰ প্ৰতিৰক্ষাৰ প্ৰতিটো দিশ চোৱাচিতা কৰা হ'ব। পাকিস্তানী সন্ত্ৰাসবাদী সংগঠনে বাংলাদেশত খোপনি পুতি অসম তথা উত্তৰ পূৰ্বাঞ্চলত কূটাঘাতমূলক কাৰ্যকলাপ সংঘটিত কৰাৰ আশংকা প্ৰকাশ কৰি সীমান্তৰ নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ভাৰত-

বাংলাদেশ সীমান্তৰে যাতে কোনো সন্ত্ৰাসবাদীয়ে প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে সীমান্ত সুৰক্ষা বাহিনীক সক্ষম কৰি তোলা হৈছে। সেনাৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি বাংলাদেশৰ শেহতীয়া পৰিস্থিতিৰ বাবে কেন্দ্ৰীয় চৰকাৰে এই সামৰিক ঘাটিটো স্থাপন কৰাত বিশেষ গুৰুত্ব দিছে। নতুনকৈ স্থাপন হ'বলগীয়া এই ঘাটিটোত প্ৰায় এহেজাৰ ৫০০ সেনা মজুত থকাৰ লগতে যুদ্ধৰ বাবে প্ৰয়োজনীয় সকলো গোলা-বাৰুদ মজুত ৰখা হ'ব। অসম চৰকাৰে এই সামৰিক ঘাটিটো স্থাপনৰ বাবে ভূমি প্ৰদান কৰিছে বুলি সেনাৰ সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইতিহাসৰ সবাতোকৈ দীৰ্ঘতম শ্বাট-ডাউন অৰ্থাৎ অচলাৱস্থাৰ অৱসান ঘটিছে। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে যুক্তৰাষ্ট্ৰীয় কাম-কাজৰ বাবে অস্থায়ী পুঁজি যোগান সম্পৰ্কীয় বিধেয়কত স্বাক্ষৰ কৰাৰ পাছত এই অচলাৱস্থাৰ অৱসান ঘটে। ডেমক্ৰেটিক আৰু ৰিপাব্লিকান পাৰ্টীৰ মাজত বিগত ৪৩ দিন ধৰি চলা অচলাৱস্থা দূৰ কৰাৰ বাবে দেশখনৰ সংসদৰ উচ্চ সদন চিনেটে ইতিমধ্যে বিধেয়কখনত অনুমোদন জনাইছে।

ooooo

যোৱা ৬ নৱেম্বৰত আৰম্ভ হোৱা ৩১ সংখ্যক কলকাতা আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি সামৰণি পৰিব। কলকাতাৰ ৰবীন্দ্ৰ সদন প্ৰেক্ষাগৃহত আজি সন্ধিয়া মহোৎসৱৰ সামৰণি কাৰ্যসূচী অনুষ্ঠিত হ'ব। আন্তঃৰাষ্ট্ৰীয় আৰু ভাৰতীয় ছবিৰ শাখাত শ্ৰেষ্ঠ ছবি আৰু শ্ৰেষ্ঠ পৰিচালকক ৰয়েল বেংগল টাইগাৰ ট্ৰফী প্ৰদান কৰা হ'ব। মহোৎসৱত **এছিয়ান চিলেক্ট** শীৰ্ষক এটা পৃথক শাখাও আছে। চলচ্চিত্ৰ মহোৎসৱৰ অংশ হিচাপে কলকাতাৰ ২১টা ছবিগৃহত ৩৯খন দেশৰ ২১৫খন চিনেমা প্ৰদৰ্শন কৰা হয়। এই বছৰ প্ৰসিদ্ধ ছবি নিৰ্মাতা ঋত্বিক ঘাটকৰ জীৱন আৰু কৰ্মৰাজিক লৈ আলোচনাচক্ৰ আৰু প্ৰদৰ্শনীকে ধৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। পৰিচালক ৰমেশ চিপ্পীয়ে সত্যজিৎ ৰায় স্মাৰক বক্তৃতা দিয়ে।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত টেষ্ট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত হ'ব। শৃংখলাটোত দুয়োটা দলৰ মাজত দুখন খেল খেলোৱা হ'ব। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে শৃংখলা জয় কৰাৰ পাছত শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলটোৱে টেম্বা বাভুমা নেতৃত্বাধীন দক্ষিণ আফ্ৰিকা দলটোৰ বিৰুদ্ধেও জয়ৰ ধাৰা অব্যাহত ৰখাৰ প্ৰয়াস কৰিব। এই শৃংখলাটো বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ চলিত চিজনৰ বাবেও গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈছে। চলিত ২০২৫-২৭ চিজনত ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা ২-২ ফলাফলেৰে সমাপ্ত কৰাৰ বিপৰীতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে শৃংখলা ২-০ ফলাফলত হস্তগত কৰিছিল। বৰ্তমানৰ বিশ্ব চেম্পিয়ন দক্ষিণ আফ্ৰিকাই বিগত মাহত পাকিস্তানৰ বিৰুদ্ধে অংশ লোৱা শৃংখলাটো ১-১ ফলাফলত অমীমাংসিতভাৱে সমাপ্ত হৈছিল। ভাৰতীয় দলটোৰ সহ প্ৰশিক্ষক ৰায়ান টেন দছেটে পৰৱৰ্তী বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত উপনীত হোৱাৰ দিশৰ পৰা ভাৰতীয় দলৰ বাবে কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া শৃংখলাটো অতি গুৰুত্বপূৰ্ণ হিচাপে অভিহিত কৰিছে। শৃংখলাৰ দ্বিতীয়খন খেল ২২ৰ পৰা ২৬ নৱেম্বৰলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ইপিনে, ভাৰত-এ আৰু দক্ষিণ আফ্ৰিকা-এ দলৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল সম্প্ৰতি গুজৰাটৰ ৰাজকোটত চলি আছে।

ooooo

সমাপ্ত